**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 26-07-2024 **Time :** 1715 Hrs.

***Assamese Evening Bulletin***

সমগ্ৰ দেশতে আজি শ্ৰীকৃষ্ণৰ জন্মাষ্টমী পালন কৰা হৈছে। এই উপলক্ষে ভক্তপ্ৰাণ ৰাইজে মন্দিৰত গৈ পূজা-অৰ্চনা কৰিছে। উত্তৰ প্ৰদেশৰ মথুৰা আৰু বৃন্দাবনত উলহ-মালহেৰে শ্ৰীকৃষ্ণৰ জন্মোৎসৱ আয়োজন কৰা হৈছে। শ্ৰীকৃষ্ণৰ জন্মস্থান মথুৰাৰ বাঁকে বিহাৰী মন্দিৰ, প্ৰেম মন্দিৰ, ইস্কন মন্দিৰ আৰু শ্ৰীকৃষ্ণ জনমভূমি মন্দিৰকে ধৰি হাজাৰ হাজাৰ মন্দিৰ এই উপলক্ষে সুন্দৰভাৱে সজাই তোলা হৈছে।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে জন্মাষ্টমীৰ প্ৰাক্‌ক্ষণত দেশবাসী তথা প্ৰবাসী ভাৰতীয়সকললৈ শুভেচ্ছা জ্ঞাপন কৰে। এটা বাৰ্তাৰ জৰিয়তে ৰাষ্ট্ৰপতিয়ে কয় যে এই উৎসৱে আমাক ভগৱান শ্ৰীকৃষ্ণৰ ঐশ্বৰিক আদৰ্শৰ প্ৰতি নিজকে সমৰ্পিত কৰাৰ বাবে উৎসাহিত কৰে। শ্ৰীমতী মুৰ্মুৱে শ্ৰীমদ্ভাগৱৎ গীতাত থকা শ্ৰীকৃষ্ণ আৰু অৰ্জুনৰ কথোপকথনক সমগ্ৰ মানৱ জাতিৰ বাবে উত্তৰণ আৰু প্ৰেৰণাৰ শাশ্বত উৎস বুলি আখ্যা দিয়ে। তেওঁ শ্ৰীকৃষ্ণৰ আদৰ্শেৰে পৰিচালিত হোৱাৰ লগতে দেশৰ সমৃদ্ধি তথা প্ৰগতিৰ বাবে কাম কৰাৰ ক্ষেত্ৰত প্ৰতিশ্ৰুতিবদ্ধ হ'বলৈ সকলোৰে প্ৰতি আহ্বান জনায়।

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে এই উপলক্ষে ৰাইজক শুভেচ্ছা জনায় তেওঁ কয় যে জন্মাষ্টমী হৈছে গভীৰ আধ্যাত্মিক তাৎপৰ্যৰ দিন। তেওঁ লগতে ভগৱান শ্ৰীকৃষ্ণৰ কালজয়ী শিক্ষাক সকলোৰে জীৱনত প্ৰতিফলিত কৰিবলৈ আৰু সমাজত ঐক্য-শান্তি আৰু সম্প্ৰীতি গঢ়ি তুলিবলৈ আহ্বান জনায়। আনহাতে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও দেশবাসীক শুভেচ্ছা জ্ঞাপন কৰে।

0000000

ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য্যই জন্মাষ্টমী উপলক্ষে ৰাজ্যবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। এটা বাৰ্তাত ৰাজ্যপালগৰাকীয়ে কয় যে জন্মাষ্টমী হৈছে ধৰ্ম, কৰ্ম আৰু সত্যৰ প্ৰতিমূৰ্তি শ্ৰীকৃষ্ণৰ জন্মদিন উদ্‌যাপন কৰা এটা উপলক্ষ্য। ভগৱান শ্ৰীকৃষ্ণৰ পূজা-অৰ্চনাই মানৱ জাতিক সমৰ্পিত কৰাৰ বাবে অনুপ্ৰাণিত কৰে আৰু সত্য পথত আগবাঢ়ি যাবলৈ পথ দেখুৱায় বুলি ৰাজ্যপালগৰাকীয়ে মন্তব্য কৰে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাইও জন্মাষ্টমী উপলক্ষে ৰাজ্যবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰে। শ্ৰীকৃষ্ণৰ কৃপা দৃষ্টিয়ে সকলোৰে জীৱনলৈ সুখ আৰু শান্তিৰ বতৰা কঢ়িয়াই আনিব বুলি তেওঁ প্ৰকাশ কৰে।

ইপিনে, ৰাজ্যৰ প্ৰতিটো প্ৰান্ততে জন্মাষ্টমী উলহ-মালহেৰে পালন কৰা পৰিলক্ষিত হৈছে। সত্ৰপীঠ মাজুলীত পুৱাৰ পৰাই নাম-প্ৰসংগ, নৃত্য-গীত আদি পৰিৱেশন কৰা হয়। মাজুলীৰ ৩৫ খন সত্ৰ আৰু ৩ শতাধিক নামঘৰত উলহ-মালহেৰে জন্মাষ্টমী পালন কৰা হয়। জন্মাষ্টমী উপলক্ষে মাজুলীৰ কেইবাখনো শিক্ষানুষ্ঠানত কৃষ্ণ নৃত্য, দিহা নাম আদি বিভিন্ন কাৰ্যসূচী আয়োজিত হয়। বৰপেটা জিলাৰ সৰভোগৰ গৰখীয়া গোসাঁই থানৰ লগতে বৰপেটা সত্ৰ, সুন্দৰীদিয়া সত্ৰ আৰু পাটবাউসী সত্ৰত সত্ৰীয়া ৰীতি-নীতিৰে জন্মাষ্টমী পালন কৰা হয়। বৰপেটা সত্ৰত কৃষ্ণৰ জন্ম আৰু শিশু কৃষ্ণৰ লীলা পৰিৱেশন কৰা হয়। সৰভোগৰ গৰখীয়া গোসাঁই থানত আজি হাজাৰ হাজাৰ ভক্তৰ সমাগম হয়। শোণিতপুৰ জিলাৰ ঢেকীয়াজুলিত বিশ্ব হিন্দু পৰিষদৰ উদ্যোগত শ্ৰী কৃষ্ণৰ জন্মাষ্টমী পালন কৰা হয়। ধুবুৰী জিলাতো জন্মাষ্টমীৰ ব্যাপক আয়োজন কৰা পৰিলক্ষিত হৈছে। জিলাখনৰ ৰামৰাইকুটি, জিনকাটা সত্ৰৰ লগতে নামঘৰসমূহত জন্মাষ্টমী পালন কৰা হৈছে। পশ্চিমবংগৰ মধুপুৰ সত্ৰতো জন্মাষ্টমী উপলক্ষে দিনজোৰা কাৰ্যসূচীৰে নাম-প্ৰসংগ, নৃত্য-গীত আদি পৰিৱেশন কৰা হয়। ধেমাজিৰ কাছাৰী ময়দানত জন্মাষ্টমী উপলক্ষে দুই সহস্ৰাধিক শিশুৱে গায়ন-বায়ন, দিহা নাম, ভোৰতাল নৃত্য, কৃষ্ণ নৃত্য আদি পৰিৱেশন কৰে। উত্তৰ-পূব শিশু বিকাশ কেন্দ্ৰ, উত্তৰ-

পূৰ্বাঞ্চল লোক কল্যাণ সমিতি আৰু বিশ্ব হিন্দু পৰিষদৰ যৌথ উদ্যোগত আয়োজিত জন্মাষ্টমীৰ এই কাৰ্যসূচীত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, অসম বিধান সভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী আৰু বিধায়ক ভূৱন পেগু উপস্থিত থাকে।

বিশ্ব হিন্দু পৰিষদৰ নলবাৰী জিলাৰ উদ্যোগত নলবাৰীৰ হৰি মন্দিৰত আয়োজন কৰা জন্মাষ্টমী উৎসৱত মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই অংশগ্ৰহণ কৰি ধৰ্মধবজা উত্তোলন কৰে। মন্ত্ৰীগৰাকীয়ে লগতে ধৰ্মীয় শোভাযাত্ৰাতো অংশগ্ৰহণ কৰে। আনহাতে, নলবাৰী জিলাৰ উলাবৰীৰ পাগলাদিয়া নৈত জন্মাষ্টমী উপলক্ষে পৰম্পৰাগত নাওখেল প্ৰতিযোগিতা অনুষ্ঠিত হয়। বিভিন্ন প্ৰান্তৰ ১০ খন নাৱে এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰে।

০০০০০০০

বিজেপি প্ৰাৰ্থী ৰামেশ্বৰ তেলী আৰু মিছন ৰঞ্জন দাস বিনা প্ৰতিদ্বন্দ্বিতাৰে ৰাজ্যসভালৈ নিৰ্বাচিত হৈছে। আজি দুয়োগৰাকীয়ে ৰিটাৰ্নিং বিষয়াৰ পৰা জয়ী হোৱাৰ প্ৰমাণপত্ৰ গ্ৰহণ কৰে। উল্লেখযোগ্য যে ৰাজ্যসভা নিৰ্বাচনৰ মনোনয়ন প্ৰত্যাহাৰৰ আজি অন্তিম দিন আছিল। বিৰোধীয়ে প্ৰাৰ্থী প্ৰক্ষেপ নকৰাত বিজেপিৰ দুয়োগৰাকী প্ৰাৰ্থীক আজি বিজয়ী ঘোষণা কৰা হয়।

০০০০০০০

ৰাজ্যিক পৰ্যায়ৰ নিযুক্তি আয়োগে তৃতীয় বৰ্গৰ পদৰ বাবে অসমৰ উচ্চতৰ মাধ্যমিক স্তৰৰ ৩ হাজাৰ ১২৭টা পদৰ লিখিত পৰীক্ষা অহা ১৫ ছেপ্তেম্বৰত অনুষ্ঠিত কৰাৰ কথা ঘোষণা কৰিছে। পৰীক্ষাৰ্থীসকলে অহা ২ ছেপ্তেম্বৰৰ দিনৰ ১১ বজাৰ পৰা অসম মাধ্যমিক শিক্ষা পৰিষদৰ ৱেবছাইট www.site.sebaonline.org অথবা ৰাজ্য চৰকাৰৰ ৱেবছাইট www.assam.gov.in যোগে পৰীক্ষাৰ প্ৰৱেশ পত্ৰ ডাউনলোড কৰিব পাৰিব। লিখিত পৰীক্ষাৰ দিনা প্ৰাৰ্থীসকলে এই প্ৰৱেশ পত্ৰ প্ৰদৰ্শন কৰাৰ লগতে প্ৰৱেশ পত্ৰত সন্নিবিষ্ট নিৰ্দেশনাসমূহ মানি চলিবলৈ জাননীখনত উল্লেখ কৰা হৈছে। একেদৰে কোনো কাৰিকৰী সহায়ৰ বাবে প্ৰাৰ্থীসকলক 95823-90056 টোল ফ্ৰী নম্বৰত যোগাযোগ কৰিবলৈ কোৱা হৈছে।

০০০০০০০

**সমাপ্ত**